*2022-2023*

*Articles Published in Book*

*1/ Gitanjali Bharali*




PRINCIPAL, i/c
Marangi Mahavidyalaya

**NARIKATHA:** A collection of articles on women issues edited by Mrs. Dipty Tamuly, Assistant Professor, Department of Economics, Marangi Mahavidyalaya, published by Jonak Printers Merapani, Golaghat, Assam on behalf of Econmic Forum, Department of Economics, Marangi Mahavidyalaya.

*First Edition : September, 2022* *Price: One Hundred Fifty Only*

প্ৰকাশকঃ
ইক'নমিক ফ'ৰাম, অৰ্থনীতি বিভাগ, মৰঙি মহাবিদ্যালয়ৰ হৈ
জোনাক প্ৰিণ্টাৰ্চ
মেৰাপানী, গোলাঘাট, অসম
দূৰভাষঃ ৯১০১৮৪৪১৭০

গ্ৰন্থস্বত্বঃ দীপ্তি তামুলী

প্ৰথম সংস্কৰণঃ চেপ্তেম্বৰ,২০২২

মূল্যঃ ১৫০.০০ টকা

ISBN: 978-81-956289-6-4

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

মুদ্ৰক ঃ কাজিৰঙা প্ৰিণ্টিং হাউচ, চানমাৰি, গুৱাহাটী-২১

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

- মহিলাৰ প্ৰতি সংবেদনশীলতাঃ এক প্ৰয়োজনীয় সামাজিক আচৰণ
  ঃ ড° গায়ত্ৰী বৰা কাকতি/৭৩
- মহিলা সবলীকৰণ আৰু শান্তি সাধনা আশ্ৰম
  ঃ ড° তাছৰিনা হুছেইন/৭৮
- বিশ্বায়ন বনাম নাৰীঃ এক সমাজতাত্বিক বিশ্লেষণ
  ঃ পল্লৱী শইকীয়া/৮২
- বিষ্ণু প্ৰসাদ ৰাভাৰ গীতত নাৰী
  ঃ ড° মৰমী চৌধুৰী/ ৮৯
- হস্ততাঁত বস্ত্ৰৰ অনলাইন ব্যৱসায় আৰু অসমীয়া নাৰীৰ স্ব-নিয়োজন
  ঃ মনিকংকণা বড়ো/৯৬
- অসমীয়া নাৰী সমাজত ভাৰতীয় সংস্কাৰ আন্দোলনৰ প্ৰভাৱ
  ঃ ড° মামণি মহন্ত /১০৩
- কৰ্মক্ষেত্ৰত মহিলাসকলে সন্মুখীনহোৱা প্ৰত্যাহ্বানসমূহ
  ঃ ড° দেইজী ৰাণী চুতীয়া/১০৯
- নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা
  ঃ মনালিছা তামুলী/১১৫
- এছিয়া মহাদেশৰ প্ৰথম ছহিদ বীৰাঙ্গনা সতী সাধনী
  ঃ গীতাঞ্জলী ভৰালী/১১৯


Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

# এছিয়া মহাদেশৰ প্ৰথম ছহিদ বীৰাঙ্গনা সতী সাধনী

গীতাঞ্জলী ভৰালী

বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰেপৰা ভাৰতীয় নাৰীয়ে সমাজত নিজস্ব এক সুকীয়া পৰিচয় বহন কৰি আহিছে। বৈদিক যুগৰ গাৰ্গী, মৈত্ৰেয়ী, লোপামুদ্ৰা, অপলা আদি নাৰীয়ে পুৰুষৰ সমানেই যাগ-যজ্ঞ আৰু পূজা-পাৰ্বনত অংশ গ্ৰহণ কৰাৰ লগতে বেদৰ শ্লোক আৰু মন্ত্ৰ আবৃত্তি কৰিছিল। একেদৰে প্ৰাচীন অসমীয়া নাৰীসকলৰো স্বকীয় বৈশিষ্ট্য বিৰাজমান। প্ৰাচীন অসমীয়া নাৰী ৰূপে-গুণে বিভূষিতা আছিল যাৰ কাৰণে ভগৱান শ্ৰীকৃষ্ণই চুতীয়া ৰজা ভীষ্মকৰ কন্যা ৰুক্মিনীক হৰণ কৰিছিল আৰু শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই শোণিতকুঁৱৰী ঊষাক বিয়া কৰাইছিল। কামৰূপৰ ৰজা ভগদত্তৰ কন্যা ভানুমতীক জ্যেষ্ঠ কৌৰৱ দুৰ্যোধন আৰু তৃতীয় পাণ্ডৱ ভীমে কছাৰী ৰাজকুমাৰী হিৰিম্বাক বিয়া কৰাইছিল। কিন্তু এই সকলো বুৰঞ্জী প্ৰসিদ্ধ অসমীয়া নাৰীৰ তুলনাত চুতীয়া ৰাণী সাধনী অনন্যা আৰু বিৰল গুণৰ অধিকাৰী আছিল।

চুতীয়া ৰাণী সতী সাধনী কেৱল চুতীয়া জাতিৰেই নহয় সমস্ত নাৰী জাতিৰ বাবেই আদশৰ্ৰ প্ৰতীক। ৰাণী হিচাপে যি ত্যাগ, আত্মবলিদান দিলে ই মানৱজাতিৰ বাবে গৌৰৱৰ বিষয়। সাধনীৰ সৎ আদৰ্শ, সন্মানবোধ, ত্যাগ আৰু স্বাধীনতা প্ৰেম সকলো জাতিৰ বাবে প্ৰেৰণাৰ উৎস হিচাপে স্মৰণযোগ্য।

বুৰঞ্জীবিদ ইলিয়াচ চাহাবে উল্লেখ কৰিছিল যে ত্ৰয়োদশ শতিকাৰ আগভাগত অসমৰ উত্তৰ পূৰ্বাংশৰ অধিকাংশতে চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। আহোমসকল অহাৰ পূৰ্বে অসমৰ উত্তৰ-পূৱ সীমান্ত অঞ্চলত চুতীয়াসকল আটাইতকৈ পৰাক্ৰমী শক্তি হিচাপে খ্যাতি লাভ কৰিছিল। তেওঁলোকে বৰাহী আৰু মৰাণসকলৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰিছিল। চুতীয়া ৰজা গৌৰীনাৰায়ণ বা ৰত্নধ্বজপালৰ দিনত চুতীয়া শক্তি চৰম সীমাত উঠিছিল। শেষৰ ৰজা



Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya